
ৰাজনীতি

ছোনিয়া গান্ধীৰ কিতাপ কিনিবলৈ ১,২০০ টকা নাইঃ মুখ্যমন্ত্রী

ছোনিয়া গান্ধীৰ সদ্য প্ৰকাশিত গ্ৰন্থখন এতিয়ালৈকে ক্ৰয় কৰা বা পঢ়া নাই বুলি জনাইছে মুখ্যমন্ত্রী হিমন্ত বিশ্ব শৰ্মাই।

প্ৰকাশ: ১৫ নৱেম্বৰ ২০২৬, আবেলি ৬:১৩



Chief Minister Himanta Biswa Sarma said he had neither bought nor read Congress leader Sonia Gandhi's newly released book.

১৫ নৱেম্বৰ: কংগ্ৰেছ নেত্রী ছোনিয়া গান্ধীৰ সদ্য প্ৰকাশিত গ্ৰন্থখন এতিয়ালৈকে ক্ৰয় কৰা নাই বা পঢ়া নাই বুলি জনাইছে অসমৰ মুখ্যমন্ত্রী হিমন্ত বিশ্ব শৰ্মাই। তেওঁৰ হাতত বৰ্তমান কিতাপখন কিনিবলৈ ১,২০০ টকা নাই বুলিও মুখ্যমন্ত্রীগৰাকীয়ে মন্তব্য কৰে।

মুখ্যমন্ত্রী শৰ্মাই কয়,

> যিদিনা মোৰ হাতত ১,২০০ টকা হ'ব, সেইদিনা কিতাপখন কিনি পঢ়িম।

কোনোবাই গ্ৰন্থখন উপহাৰ দিলেও তেওঁ পঢ়িব বুলিও মুখ্যমন্ত্রীগৰাকীয়ে কয়।

তেওঁ লগতে জনায় যে, কিতাপখন তেওঁ এতিয়ালৈকে দেখা নাই। গ্ৰন্থখনত অসমৰ বিষয়ে কিবা উল্লেখ আছে নেকি, সেই বিষয়েও তেওঁ সোধা-পোছা কৰিছিল বুলি জানিবলৈ দিয়ে।

© 2026 NewzNow

ছোনিয়া গান্ধীৰ নতুন গ্ৰন্থক লৈ মুখ্যমন্ত্ৰীৰ এই মন্তব্যই ৰাজনৈতিক মহলত চৰ্চা লাভ কৰিছে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/3381/himanta-sonia-gandhi-book-comment